SEMESTER- I

COURSE NAME: ANCIENT INDIAN PHILOSOPHY

Composed by Dr Aminur Islam Sk
Asst. Prof. in Philosophy

## সংহিতা (Samhita)

পৰম্পৰা অনুসৰি ব্যাস মুনি হৈছে বেদৰ সংকলক, তেখেতে চাৰি প্ৰকাৰৰ মন্ত্ৰক একেলগ কৰি বেদ সংকলন কৰিছিল। চাৰিখন বেদৰ নাম হৈছে ঋকবেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ। ইয়াৰ ভিতৰত ভিতৰত সকলোতকৈ পুৰণি বেদখন হ'ল ঋকবেদ। প্ৰতিখন বেদকেই আকৌ চাৰিটা প্ৰধান ভাগত বিভক্ত: সংহিতা (মন্ত্ৰ আৰু প্ৰাৰ্থনা), ব্ৰাহ্মণ (ধৰ্মীয় আচাৰ, ধৰ্মীয় অনুষ্ঠান অৰ্থাৎ পূজাবিধি আৰু উদ্গাৰ নিয়ম), আৰণ্যক (ধৰ্মীয় আচাৰ, ধৰ্মীয় ক্ৰিয়াকৰ্ম, যজ্ঞ আৰু প্ৰতীকী যজ্ঞ) আৰু উপনিষদ (ধ্যান, দৰ্শন আৰু আধ্যাত্মিক জ্ঞান সংক্ৰান্ত আলোচনা)। কিছুমান পণ্ডিতে উপাসনা বা পূজা নামৰ এটা পঞ্চম ভাগৰ কথাও উল্লেখ কৰিছে।

কাত্যায়ণৰ মতে বেদৰ অংশ মূলতঃ দুটা--- মন্ত্ৰ আৰু ব্ৰাহ্মণ। মন্ত্ৰ ভাগকে 'সংহিতা' বোলা হয়। সংহিতাবোৰ হৈছে--- ঋকবেদ সংহিতা, সামবেদ সংহিতা, যজুৰ্বেদ সংহিতা আৰু অথৰ্ববেদ সংহিতা। মন্ত্ৰাংশ গদ্য, পদ্য আৰু গীতিৰে ৰচিত। এইটোৱেই হৈছে বেদৰ প্ৰধান অংশ। ব্ৰাহ্মণ অংশৰ ভাগ দুটা--- আৰণ্যক আৰু উপনিষদ। ব্ৰাহ্মণৰ শেষৰ অংশক আৰণ্যক আৰু আৰণ্যকৰ অন্তিম অংশক কোৱা হয় উপনিষদ। আকৌ বেদক কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ড দুটা ভাগত ভাগ কৰা হৈছে। ব্ৰাহ্মণাংশত যজ্ঞক্ৰিয়াৰ বৰ্ণনা থকা বাবে ই কৰ্মকাণ্ডৰ অংশ। আনহাতে, আৰণ্যক আৰু উপনিষদ জ্ঞানকাণ্ডৰ অংশ। আৰ্য সমাজৰ প্ৰতিষ্ঠাতা মহৰ্ষি দয়ানন্দ সৰস্বতীৰ মতে কেৱল মন্ত্ৰভাগ সংহিতাই হৈছে বেদ। তেওঁৰ মতে ব্ৰাহ্মণ অংশটো বেদৰ অন্তৰ্ভুক্ত নহয়। ইয়াৰ কাৰণ হিচাপে তেওঁ পতঞ্জলিৰ মত উদ্ধৃতি দিছে, ব্ৰাহ্মণ অংশ ঋষিপ্ৰণীত, যি বেদৰ ব্যাখ্যাত বৰ্ণনা হৈছে। আনহাতে, মন্ত্ৰাংশ কেৱল ঈশ্বৰপ্ৰণীত বেদ।

'সংহিতা' এটা সংস্কৃত শব্দ। এই শব্দৰ মূল 'সং' আৰু 'হিত'। এই শব্দ দুটাৰ অৰ্থ যথাক্ৰমে 'সঠিক', যথাৰ্থ, আৰু সমৃদ্ধ, বিন্যস্ত। শব্দ দুটাৰ সন্মিলিত শব্দ অৰ্থাৎ 'সংহিতা'ৰ আক্ষৰিক অৰ্থ হৈছে "একত্ৰিত, মিলিত, যুক্ত" আৰু "নিৰ্দিষ্ট পদ্ধতি আৰু নিয়ম অনুসাৰে একত্ৰিত গ্ৰন্থ বা মন্ত্ৰ সংকলন। হিন্দু ধৰ্মৰ সৰ্বোচ্চ ধৰ্ম গ্ৰন্থৰ বেদৰ প্ৰাচীনতম অংশটোক সংহিতা বোলা হয়। এই অংশত মন্ত্ৰ, স্তোত্ৰ, প্ৰাৰ্থনা, প্ৰাৰ্থনা-সঙ্গীত আৰু আশীৰ্বচনৰ সংকলন। বৈদিক সংহতিবোৰৰ কিছু অংশ হিন্দু ধৰ্মৰ প্ৰাচীনতম অংশ যি আজিও প্ৰচলিত আছে।

সাধাৰণভাৱে নিৰ্দিষ্ট পদ্ধতি অনুসাৰে সংকলিত যিকোনো গ্ৰন্থ বা মন্ত্ৰ সংগ্ৰহকেই 'সংহিতা' বুলি ক'ব পাৰি। যিকোনো শাস্ত্ৰ, সূত্ৰ বা সংস্কৃত মহাকাব্য আৰু সৰ্বোপৰি বৈদিক সাহিত্য 'সংহিতা'পদবাচ্য। যদিও সমসাময়িক সাহিত্যত 'সংহিতা' বুলি ক'লে বেদৰ আদি আৰু প্ৰাচীন অংশটোকে বুজায়। এই অংশৰ আক্ষৰিক অৰ্থসহ বা অৰ্থবোধ নোহোৱা মন্ত্ৰ, সাধাৰণ ভাষণ, প্ৰাৰ্থনা, প্ৰাৰ্থনা-সঙ্গীত, আৰু আশীৰ্বচন সংকলিত আছে। এইবোৰ প্ৰকৃতি বা বৈদিক দেৱ-দেৱীৰ উদ্দেশ্য উৎসৰ্গিত। বৈদিক সংহিতা বুলি ক'লে গাণিতিক নিয়মত নিবন্ধ

ছন্দ আকাৰত ৰচিত প্ৰাচীন ধৰ্মগ্ৰন্থক বুজায়। সেয়েহে বেদৰ প্ৰতিটো ভাগেই (ঋকবেদ, সামবেদ, যজুৰ্বেদ, অথৰ্ববেদ) একোটাকৈ সংহিতা।

**ঋকবেদসংহিতাঃ**

ঋকবেদ অংশত প্ৰধান পুৰোহিত কতৃক পঠিত মন্ত্ৰ সংকলিত হৈছে। ঋষিসকলৰ উচ্চাৰিত বাণীবোৰ তিনি-চাৰি পংক্তিৰ একো একোটা কবিতা। এই কবিতাবোৰক কোৱা হয় ঋক বা মন্ত্ৰ। এই কবিতা বা মন্ত্ৰবোৰৰ একত্ৰিতভাৱে সংকলন কৰি যি সংহিতাৰ ৰূপদান কৰা হৈছে, তাকে ঋকবেদসংহিতা বোলে। কেইটামান ঋক বা মন্ত্ৰক সংলগ্ন কৰি একো একোটাকৈ ডাঙৰ আকাৰৰ কবিতাত ৰূপায়িত কৰা হৈছে। ঋক বা মন্ত্ৰৰ এই ডাঙৰ আকাৰৰ কবিতাক 'সূক্ত' বোলা হয়। দেৱতা অগ্নি সম্পৰ্কে যিবোৰ সূক্ত ৰচিত হৈছে সেইবোৰক অগ্নিসূক্ত কোৱা হয়। ইন্দ্ৰ, বিষ্ণু, ঊষা প্ৰভৃতি দেৱতাবোৰলৈ অনেক সূক্ত ৰচিত হৈছে। ঋকবেদ সংহিতাত এনেধৰণৰ ১০২৮ টা সূক্ত আৰু সৰ্বমুঠ ১০,৫৫২ টা ঋক বা মন্ত্ৰ সংকলন কৰা আছে। এনেদৰে ঋকবেদ সংহিতা দশটা মণ্ডলত বিভক্ত কৰা হৈছে।

**যজুৰ্বেদসংহিতাঃ**

যজ্ঞ বুলিলে এক বিশেষ পদ্ধতিৰ উপাসনা আৰু অনুষ্ঠানক বুজায়। যজ্ঞ কৰাৰ সময়ত কিছুমান মন্ত্ৰৰ ব্যৱহাৰ হৈছিল। এই মন্ত্ৰবোৰক কোৱা হৈছিল 'যজুঃ'। যজ্ঞত ব্যৱহৃত এই মন্ত্ৰবোৰৰ সংকলনক বোলা হয় যজুৰ্বেদসংহিতা। অৰ্থাৎ যজুৰ্বেদৰ যিটো অংশত অনুষ্ঠাতা বা কৰ্তা পুৰোহিত কতৃক পঠিত মন্ত্ৰ সংকলিত হৈছে, তাকে যজুৰ্বেদসংহিতা বোলে। যজুৰ্বেদ পদ্য আৰু গদ্য উভয়ৰে ৰচিত। যজুৰ্বেদক ৭ টা ভাগত ভাগ কৰা হৈছে। এই ভাগবোৰৰ একো একোটাক 'কাণ্ড' বোলা হয়। যজুৰ্বেদৰ এই সাতটা কাণ্ডত মন্ত্ৰৰ সংখ্যা ২১৮৪ টা।

**সামবেদসংহিতাঃ**

'সাম' শব্দৰ অৰ্থ হৈছে 'গান'। যিবোৰ মন্ত্ৰক সুৰেৰে গোৱা হৈছিল, সেইবোৰক একত্ৰে সংকলন কৰি যিখন সংহিতা গঠন হৈছে, তাকে সামবেদ সংহিতা বোলে। অৰ্থাৎ সামবেদ সংহিতা অংশত মন্ত্ৰপাঠক পুৰোহিত কতৃক গীত স্তোত্ৰসমূহ সংকলিত হৈছে। সামবেদত মন্ত্ৰৰ সংখ্যা ১,৮৭৫ টা। তাৰে ৭৫ টা মন্ত্ৰক বাদ দি বাকী সমস্ত মন্ত্ৰ ঋকবেদসংহিতাৰ পৰা গৃহীত।

**অথৰ্ববেদসংহিতাঃ**

অথৰ্ববেদত মাৰণ (বিনষ্টকাৰী), উচাটন, বশীকৰণ সংক্ৰান্তীয় মন্ত্ৰবোৰ সংকলিত। সামবেদত মন্ত্ৰৰ সংখ্যা ৫৯৭৭ টা।

বেদ সমূহৰ সঠিক কাল নিৰ্ণয় কৰা এক দুৰূহ বিষয়। কিন্তু ইউৰোপীয় ভাৰততত্ত্ববিদ ম্যাক্স মুলাৰৰ মতে বেদৰ আনুমানিক কাল হ'ল ১২০০ খৃষ্টপূৰ্ব। প্ৰখ্যাত ভাৰতীয় পণ্ডিত বাল গঙ্গাধৰ তিলকৰ মতে বেদৰ আনুমানিক কাল ৪৫০০ খৃষ্টপূৰ্ব। কোনো কোনো ভাৰতীয় পণ্ডিতে বেদৰ আনুমানিক কাল ৪০০০ খৃষ্টপূৰ্ব বুলি কৈছে। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে আনুমানিক ১৫০০ খৃষ্টপূৰ্বত বেদমন্ত্ৰবোৰ সংকলিত হৈছিল। সংক্ষেপে ক'ব পাৰি যে বৈদিক মন্ত্ৰ আৰু সংহিতাৰ সঠিক কাল নিৰ্ণয় কৰা কঠিন।

ঈশ্বৰতত্ত্ব (Theology)

দেখা যায় যে আৰ্য ঋষিসকলে ইন্দ্ৰ, বৰুণ, অগ্নি প্ৰভৃতিক বিভিন্ন দেৱতাৰূপে স্বীকাৰ কৰিছিল। তেওঁলোকক আহুতি দি স্তুতি কৰিছিল। নাম নহ'লে এটা দেৱতা প্ৰায় অন্য এটা দেৱতাৰ অনুৰূপ। নাম নহ'লে কোনো এটা স্তোত্ৰ কোন দেৱতাৰ স্তুতি তাক নিৰ্ণয় কৰা কঠিন। দেখা যায়, কোনো এটা সময়ত অগ্নিক শ্ৰেষ্ঠ আসনত অধিষ্ঠিত কৰা হৈছে, কেতিয়াবা ইন্দ্ৰক শ্ৰেষ্ঠ ৰূপে বৰ্ণনা কৰি তেওঁকেই সৰ্বশক্তিমান, সৰ্ববিৰাজমান আৰু সৰ্বজীৱৰ অন্তৰ্দ্ৰষ্টা বোলা হৈছে। আকৌ কেতিয়াবা বৰুণ দেৱতাকো ইন্দ্ৰৰ দৰে অন্তৰিক্ষৰ দেৱতা, বৃষ্টিৰ অধিপতি সৰ্বব্যাপী, সৰ্বশক্তিমান বুলি কোৱা হৈছে। এই ধাৰণাই বৈদিক ধৰ্মাদৰ্শনত 'একেশ্বৰবাদ' (Monotheism) ধাৰণাৰ জন্ম দিছে। এই সম্পৰ্কে স্বামী বিবেকানন্দই কৈছে--"এই একেশ্বৰবাদ একেবাৰে প্ৰাথমিক অৱস্থাত ভাৰতত দেখা দিছিল, দেখিবলৈ পাওঁ সংহিতাৰ সৰ্বত্ৰই--- তাৰ প্ৰথম আৰু সৰ্বপ্ৰাচীন অংশত এই একেশ্বৰবাদৰ প্ৰভাৱ।" (বৈদিক ধৰ্মাদৰ্শন, স্বামী বিবেকানন্দৰ বাণী ও ৰচনা, ৩য় খণ্ড, ১৯৯৪, পৃঃ ১৫২)

ঋকবেদৰ ঋষি সকলে বহুদেৱতাৰ মাজত বৃহত্তম শক্তিৰ সন্ধান পোৱা নাযায় বাবে বহুদেৱতাৰ মাজত সৰ্বোচ্চ (Supreme) দেৱতাৰ সন্ধান কৰে। এইবোৰ দেৱতাৰ এটাৰ পিছত এটা গ্ৰহণ, তাৰ পিছত একো একোজনক সৰ্বোচ্চস্থানত প্ৰতিষ্ঠিত কৰা হৈছিল আৰু প্ৰত্যেকে অনাদি, অখণ্ড সগুণ ঈশ্বৰ ৰূপে অভিহিত হৈছিল। ভাৰততত্ত্ববিদ ম্যাক্সমূলাৰে ঋকবেদৰ ঈশ্বৰ চিন্তাৰ এই বিশেষত্ব দেখা পাই একেশ্বৰবাদ (One and only God)ৰ পৰা পৃথক কৰি ইয়াক 'অতিদেৱতাবাদ' (Henotheism) অৰ্থাৎ এক ঈশ্বৰ বিশ্বাস (Belief in one God) আখ্যায়িত কৰিছে। ম্যাক্সমূলাৰে অতিদেৱতাবাদক বহুদেৱতাবাদৰ পৰা একেশ্বৰবাদলৈ যোৱাৰ মধ্যবৰ্তী স্তৰ বুলি কৈছে।

কিন্তু মেক্সমূলাৰৰ এই দৃষ্টিভংগী অনেকৰ ক্ষেত্ৰত সন্তোষজনক হোৱা নাই। বহুদেৱতাক এক দেৱতালৈ ৰূপান্তৰ কৰাৰ সহজতম উপায় হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ দেৱতাজনক সৰ্বোচ্চ স্থানত অধিষ্ঠিত কৰা। কিন্তু বৈদিক চিন্তাত এই চেষ্টা কৰা হোৱা নাই। অৱশ্যে এইটো ঠিক যে, একেশ্বৰবাদৰ এই পথত কেতিয়াবা বৰুণ, কেতিয়াবা ইন্দ্ৰক শ্ৰেষ্ঠ হিচাবে অভিহিত কৰা হৈছে। কিন্তু বৰুণ বা ইন্দ্ৰ ব্যক্তিৰূপী ঈশ্বৰ (God conceived as a personality) হিচাবে সৰ্বোচ্চ স্থানত অধিষ্ঠিত হোৱা নাছিল। সেই হিচাবত ক'ব পাৰি যে, সাধাৰণ অৰ্থত যাক একেশ্বৰবাদ কোৱা হয় প্ৰাচীন বৈদিক চিন্তাত তাকে কোৱা হৈছে বুলি ক'ব নোৱাৰি। বৈদিক ঋষিসকলে বহুদেৱতাৰ মাজত যি একত্বৰ সন্ধান কৰিছিল, সেই অনুসন্ধানৰ পথ আছিল ভিন্ন। তেওঁলোকে বিভিন্ন দেৱতাৰ মাজত এক সৰ্বোচ্চ দেৱতা আবিষ্কাৰ কৰিব বিচৰা নাছিল। বৰঞ্চ এই দেৱতাসকলৰ পৰিচালক যি সাধাৰণ শক্তি (Common power) তাকেই আবিষ্কাৰ কৰিব বিচাৰিছিল। এই 'দাৰ্শনিক একেশ্বৰবাদ' (Philosophical Monotheism) ঋকবেদৰ প্ৰাচীন মন্ত্ৰ সমূহত পৰিলক্ষিত হয়। বৈদিক ঋষিসকলে 'মিত্ৰ' আৰু 'বৰুণ' এই দুই নামক এনেভাৱে আহ্বান কৰিছে যে দুয়ো এক--- দুই দেৱতা বুলি পৃথক কৰিব নোৱাৰি। ঋকবেদত এই প্ৰৱনতাই দেখা যায়, "একং সৎ বিপ্ৰা বহুধা বদন্তি অগ্নিং যমং মাতৰিশ্বানম আহু"। সত্ত্বা এক, কিন্তু পণ্ডিত সকলে এই একক সত্ত্বাক নানা নামে বৰ্ণনা কৰিছে। কেতিয়াবা অগ্নি, যম, আৰু কেতিয়াবা মাতৰিশ্বা বুলি কৈছে। অৰ্থাৎ

সমস্ত দেৱতা এক সত্তাৰেই প্ৰকাশ। বৈদিক ঋষিসকলে নানা প্ৰাকৃতিক ঘটনাৰ ব্যাখ্যাৰূপে চৰম কাৰণ সম্পৰ্কে সুনিশ্চিত হ'ব পাৰিছিল। কিন্তু তাৰ প্ৰকৃত স্বৰূপ কি? এই প্ৰশ্নই তেওঁলোকক সুদীৰ্ঘকাল বিচলিত কৰিছিল। তাৰ উত্তৰ বা সমাধান বিচাৰি অহৰহ চিন্তা কৰিছিল যদিও কোনো এটা উত্তৰতে তেওঁলোকে সন্তুষ্ট হ'ব পৰা নাছিল। ঈশ্বৰক একক শক্তিৰূপে ধাৰণা কৰা প্ৰাচীনতম চিন্তা এনেদৰে বিশ্বদেৱতাৰ কল্পনাৰ মাজেৰে অগ্ৰসৰ হৈছিল। এনেধৰণৰ একত্বৰ ধাৰণা প্ৰকৃতিৰ কাৰ্যাৱলীৰ মাজত নিহিত উদ্দেশ্যৰ সামঞ্জস্যৰ চেতনাৰ ইংগিত দিয়ে।

মৌলিক সত্তা সম্বন্ধে একেশ্বৰবাদ চিন্তাৰ পৰিচয় প্ৰজাপতি (ঋকবেদঃ ১০/১২১) আৰু বিশ্বকৰ্মাসূক্ত (ঋকবেদঃ ১০/৮২) ত পোৱা যায়। একেশ্বৰবাদ মতে একমাত্ৰ ঈশ্বৰে বিশ্বৰ স্ৰষ্টা আৰু নিয়ন্ত্ৰক। তেওঁ বিশ্বৰ পৰা পৃথকভাৱে অৱস্থান কৰে আৰু ব্যক্তিবিশিষ্ট। এটা সময়ত যিবোৰ দেৱতা গুৰুত্ব লাভ কৰিছিল তাৰ মাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আছিল 'প্ৰজাপতি' যি প্ৰকৃতিৰ সৃষ্টি শক্তিৰ ব্যক্তিৰূপী প্ৰকাশ। উৎপত্তিৰ দিশৰ পৰা প্ৰজাতি আৰু বিশ্বকৰ্মাৰ মাজত সাদৃশ্য আছে। 'প্ৰজাপতি' নামে সূচিত কৰে যে, তেৱেঁই সৰ্বভূতৰ অদ্বিতীয় অধীশ্বৰ, মানৱজাতিৰ সৃষ্টিকৰ্তা পিতা। তেৱেঁই বিশ্বৰ স্ৰষ্টা আৰু ৰক্ষাকৰ্তা। ব্ৰাহ্মণ অংশত তেওঁ প্ৰথম স্থান অধিকাৰী। শতপথ ব্ৰাহ্মণত তেত্ৰিশজন দেৱতাৰ কথা উল্লেখ আছে আৰু প্ৰজাতি তেওঁলোকৰ সকলোকে অন্তৰ্ভুক্ত কৰি চৌত্ৰিশজন। ইয়াতে উল্লেখ কৰিব পাৰি যে, বৈদিক একেশ্বৰবাদী চিন্তাত অদ্বৈতবাদী (Monistic) চিন্তাও মিশ্ৰিত আছিল আৰু এই দুটাক পৃথক কৰা কঠিন।

ঋকবেদত কেতিয়াবা যদি এটাক প্ৰধান্য দিয়া হৈছে, কেতিয়াবা আন এটাক। অৰ্থাৎ দুইধৰণৰ প্ৰৱণতাই পোৱা যায়। তাৰ মাজত একেশ্বৰবাদ ধাৰণা (Monotheistic conception) দ্বৈতবাদ সূচিত কৰে। ইয়াৰ লক্ষ্য হৈছে বহুদেৱতাক এক দেৱতাত ৰূপান্তৰিত কৰা, যিয়ে তাৰ সৃষ্ট বিশ্বৰ অতীত হৈও তাৰ পৰিচালক। এই ধাৰণা মতে প্ৰকৃতি ঈশ্বৰৰ পৰা পৃথকভাৱে অৱস্থিত। সেইবাবে এই ধাৰণা বিশিষ্ট অৰ্থত একত্ব লাভৰ ইচ্ছাক সিদ্ধ কৰে। কিন্তু বৈদিক ঋষিসকল এক উচ্চতৰ একত্বৰ ধাৰণা কৰিছে যাক 'অদ্বৈতবাদ' (Monism) বুলি ক'ব পাৰি, যি সমগ্ৰকিছুৰ উৎসৰূপে এক সত্তাৰ অনুসন্ধান কৰে। ঠিক এই ধাৰণাই পূৰ্ণৰূপে উপনিষদত পোৱা যায়।

ঋকবেদৰ নাসদীয় সূক্ত (১০/১২৯/১-৭) ত এক নৈৰ্ব্যক্তিক পৰমসত্তাৰ (Impersonal Ultimate Reality)ৰ কথা কোৱা হৈছে, যি বৰ্ণনাৰ অতীত। ঋকবেদৰ এই নাসদীয় সূক্ত অদ্বৈতবাদী চিন্তা (Monistic thought)ৰ সাৰাংশ। ইয়াত বৈদিক চিন্তাবিদে কাৰণতাৰ নীতিক স্বীকাৰ কৰি সমগ্ৰ বিশ্বজগতৰ এটা উৎসৰ অনুসন্ধান কৰাৰ সমান্তৰালভাৱে সেই সত্তাৰ স্বৰূপ নিৰ্ণয় কৰাৰো চেষ্টা কৰিছে। বিশ্বজগত ব্যাখ্যা কৰিবগৈ কোৱা হৈছে যে, জগত বাহ্যিক কোনো কৰ্তাৰ দ্বাৰা সৃষ্ট নহয়, বৰঞ্চ এই ইন্দ্ৰিয়গ্ৰাহ্য জগত এক অতীন্দ্ৰিয় আদি-কাৰণৰ স্বতোপ্ৰণোদিত অভিব্যক্তি। সৰ্বেশ্বৰবাদৰ যি ঈশ্বৰবাদী দৃষ্টি সি ইয়াত নাই। ঋকবেদৰ নাসদীয় সূক্তত ঈশ্বৰ 'তদে কম' (That God) এই দুটা শব্দৰ দ্বাৰা ব্যক্ত হৈছে। এই সূক্তত যি নৈৰ্ব্যক্তিক সত্তাৰ কথা কোৱা হৈছে, তাকেই পৰবৰ্তী সময়ত উপনিষদত নিৰ্গুণ ব্ৰহ্ম বোলা হৈছে।

সৃষ্টিতত্ত্ব (Cosmology)

জগতৰ সৃষ্টি সম্পৰ্কে ছান্দোগ্য উপনিষদ (৩/১৪/১)ত কোৱা হৈছে--- 'তজ্জলান' অৰ্থাৎ "তৎ (ব্ৰহ্ম)ৰ পৰা সমস্তকিছুৰ উৎপন্ন (জ), ব্ৰহ্মই সমস্তকিছুৰ স্থিতি (অন), ব্ৰহ্মতেই সমস্তকিছুৰ লয় (লী) হয় (তৎ+জ+লী+অন)।" বাদৰায়ণ ব্ৰহ্মসূত্ৰ গ্ৰন্থৰ প্ৰথম অধ্যায়ৰ প্ৰথম পাদত কোৱা হৈছে--- "জন্মাদ্যস্য যতঃ"। অৰ্থাৎ "ব্ৰহ্মৰ পৰাই জগতৰ সৃষ্টি। ব্ৰহ্মতে জগত অবস্থান কৰে আৰু ব্ৰহ্মত জগত লয়প্ৰাপ্ত হয়।" শংকৰাচাৰ্যৰ মতে, যথাৰ্থ বিচাৰত ব্ৰহ্ম নিষ্ক্ৰিয়। সেয়েহে তেওঁ জগতৰ স্ৰষ্টা হ'ব নোৱাৰে। মায়া শক্তিবিশিষ্ট ব্ৰহ্ম অৰ্থাৎ সগুণ ব্ৰহ্ম জগতৰ নিমিত্ত আৰু উপাদান কাৰণ।জগত মিথ্যা। জগতৰ পাৰমাৰ্থিক সত্বা নাই। ব্ৰহ্মই একমাত্ৰ পাৰমাৰ্থিক সৎ। মায়া বা অবিদ্যাৰ কাৰণে মিথ্যা জগত আমাৰ ওচৰত সত্যৰ দৰে প্ৰতিভাত হয়। ঠিক যেনেকৈ আমি কেতিয়াবা ৰছী এডালক সাপ বুলি ভুল কৰোঁ অৰ্থাৎ ৰছী সাপ বুলি ভ্ৰম হয়, ঠিক তেনেকৈ ব্ৰহ্মকে জগত বুলি ভ্ৰম হয়। অবিদ্যা বা মায়াই হৈছে জগত ভ্ৰমৰ কাৰণ। জগত নাই, কিন্তু মায়াৰ বাবে জগত আছে বুলি ধাৰণা হয়। ব্ৰহ্ম সত্য হ'লেও জগত সত্য বুলি প্ৰতিভাত হয়। জগত ব্ৰহ্মৰ বিবৰ্তন। ব্ৰহ্ম প্ৰকৃততে জগতত পৰিণত হ'ব নোৱাৰে। ব্ৰহ্ম জগতৰূপে প্ৰতিভাতহে হয়। জগত ব্ৰহ্মৰ বিবৰ্ত, গতিকে জগত মিথ্যা। জগতৰ পাৰমাৰ্থিক সত্বা নাই। জগত ব্যৱহাৰিক সত্বা। ব্ৰহ্ম জ্ঞান হ'লে জগত নোহোৱা হৈ যায়।

ৰামানুজৰ মতে, সগুণ ব্ৰহ্ম বা ঈশ্বৰ জগতৰ কৰ্তা আৰু উপাদান কাৰণ। ঈশ্বৰ জগতৰ স্ৰষ্টা, ৰক্ষক আৰু সংহাৰক। সৃষ্টি ঈশ্বৰৰ লীলাৰেই প্ৰকাশ। জগত ব্ৰহ্মৰ পৰিণাম আৰু ব্ৰহ্মৰ শৰীৰ। ৰামানুজৰ মতে, সৃষ্টি প্ৰক্ৰিয়া সত্য আৰু সৃষ্ট জগতো সত্য। কিন্তু জগতৰ ব্ৰহ্মনিৰপেক্ষ অস্তিত্ব নাই। জগত ব্ৰহ্মাশ্ৰিতৰূপে সৎ। প্ৰত্যেক বস্তুৰ মাজত আত্মাৰূপে ব্ৰহ্ম বৰ্তমান। "ব্ৰহ্মৰ পৰা পৃথকৰূপে অৱস্থিত কোনো বস্তু নাই"। এইটোৱেই নানাত্ব নিষেধক উপনিষদৰ বাক্যসমূহৰ তাৎপৰ্য। উপনিষদে বস্তু সমূহৰ স্বতন্ত্ৰ অস্তিত্ব অস্বীকাৰ কৰে, কিন্তু বস্তুৰ ব্ৰহ্মসাপেক্ষ অস্তিত্ব স্বীকাৰ কৰে।

নীতিশাস্ত্ৰ (ঋত) (Rta---- Ehtics)

প্ৰাচীন ভাৰতবৰ্ষত অৰ্থাৎ বৈদিক যুগত মানুহৰ নৈতিক জীৱন দুটা মহান নীতিক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। এটা হ'ল--- সামঞ্জস্যৰ নীতি (The Principal of harmony), যাক 'ঋত' বুলি কোৱা হয়। দ্বিতীয়টো হৈছে--- যজ্ঞৰ নীতি বা যজ্ঞ। ছান্দোগ্য উপনিষদ (৩/১৭) সমগ্ৰ জীৱনটোকে এটা যজ্ঞ বুলি বৰ্ণনা কৰিছে। তপঃ বা তপস্যা, দান, সৰলতা, আৰু সত্য বচনক যজ্ঞৰ দক্ষিণা বোলা হয়।

প্ৰাচীন ভাৰতীয় চিন্তা বা দৰ্শনত এইটো বিশ্বাস কৰা হৈছিল যে, এটা সাৰ্বিক নিয়ম আছিল যি কেৱল ভৌতিক ঘটনাৱলীকে নহয়, সকলো মানসিক অভিজ্ঞতা আৰু তাৰ নৈতিক পৰিণামবোৰকো নিয়ন্ত্ৰণ কৰিছিল। বৈদিক মানুহৰ নৈতিক জীৱনৰ প্ৰধান লক্ষ্য আছিল এই 'ঋত'ৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে জীৱন যাপন কৰা আৰু ইয়াক যজ্ঞৰ মাধ্যমত কৰিছিল। আৰ্যসকলৰ সৰ্বশ্ৰেষ্ঠ জীৱন আদৰ্শ বৈদিক 'ঋত' শব্দৰ দ্বাৰা প্ৰকাশিত হৈছিল। বেদে এটা মহান নীতিক স্বীকাৰ কৰে, যিয়ে সমগ্ৰ বিশ্ব (Cosmos ) পৰিচালিত কৰে। এই নিয়ম বা নীতিয়ে হৈছে ঋত (rta) আৰু সত্য (truth)ৰ নীতি। এই নীতিৰ বাবেই বিশ্বজাগতিক আৰু নৈতিক শৃংখলা ৰক্ষা হয় আৰু দেৱতা, চন্দ্ৰ, সূৰ্য, গ্ৰহ, নক্ষত্ৰ আদিকে ধৰি সমস্ত প্ৰাণী এই নিয়মৰ অধীন। বিশ্বজাগতিক আৰু নৈতিক শৃংখলাৰ

ভিত্তি ৰূপে ঋতই (Rta as a cosmic and moral order) হৈছে সকলোৰে নিয়ন্ত্ৰক। ঋগ্বেদত এই সম্পৰ্কে কোৱা হৈছে--- "স্তোতৃসকল। প্ৰাচীন ঋতৰ গৰ্ভভূত বিষ্ণুক যিৰূপত জানা, সেই ৰূপেই স্তোত্ৰাদিৰ দ্বাৰা তাৰ প্ৰীতি সাধন কৰা" (১/১৫৬/৩)। এই মন্ত্ৰত বিষ্ণুক ঋতৰ গৰ্ভ বুলি কোৱা হৈছে। ইয়াত ঋত মানে যজ্ঞ বা নৈতিক শৃংখলা।

ইয়াতে উল্লেখযোগ্য যে, পাৰ্চি ধৰ্মতত্ত্ববিদ আৰু দাৰ্শনিক জৰথুষ্ট্ৰৰ দৰ্শনত আমি একেধৰণৰ এটা শব্দ 'অশ' (Asha) বুলি পাওঁ। পাৰ্চি asha (অশ') ভাৰতীয় rta (ঋত) শব্দৰ পৰা ৰূপান্তৰিত এটা শব্দ বুলি কোৱা হয়। সংস্কৃত 'ঋত' শব্দৰ এই ৰূপান্তৰ পাৰ্চি সকলৰ ধৰ্মগ্ৰন্থ আবেস্তা বা জেন্দাবেস্তাত পোৱা যায়। জৰথুষ্ট্ৰ ১৮ টা কবিতা লিখে, যাৰ সমন্বয়ত আবেস্তাৰ প্ৰাচীন খণ্ড 'গাথা' ৰচিত হৈছিল। গাথাৰ ভাষা আৰু ৰচনাক 'আদি আবেস্তাই' বা 'গাথাইক আবেস্তাই' বোলা হয়, যিবোৰ আবেস্তাৰ পৰৱৰ্তী খণ্ড সমূহৰ ভাষাৰ পৰা অনেক প্ৰাচীন। শব্দৰ ব্যুৎপত্তিগত দিশৰ পৰা গাথাইক আবেস্তাই ভাষাৰ সৈতে ঋকবেদৰ সংস্কৃত ভাষাৰ যথেষ্ট মিল পৰিলক্ষিত হয়। যদিও ঋকবেদৰ ভাষা গাথাৰ ভাষাতকৈ কিছু বেছি মাত্ৰাত ৰক্ষণশীল, ধাৰণা কৰা হয় যে আবেস্তা ঋকবেদৰ অনেক শতকৰ পিছত ৰচিত হৈছে। ঋকবেদ ৰচিত হৈছে আনুমানিক খৃষ্টপূৰ্ব ১৫০০ ৰ পৰা ১২০০ শতাব্দীৰ মধ্যবৰ্তী কালত। সেই অনুসাৰে গাথা ৰচিত হৈছে খৃষ্টপূৰ্ব ১০০০ শতাব্দীৰ পৰা ২০০ বছৰ সময় কালৰ মাজত।

জৰথুষ্ট্ৰ ধৰ্মৰ স্বীকৃত সত্তা 'আহুৰা-মাজদা' (Ahura-Mazda) ৰ অন্যতম গুণ। অগ্নিক অশ'ৰ প্ৰতীক বোলা হয়। কাৰণ, অগ্নি তাৰ লগত যুক্ত সকলো বস্তুকে পৰিবৰ্তিত কৰে আৰু অগ্নিশিখা সততে উৰ্দ্ধমুখী। এইবাবে অশবহিস্ত পাৰ্থিৱ আৰু স্বৰ্গীয় অগ্নিৰ দেৱতা (Zorastrianism, Irach J. S. Taraporwala, The Cultural Heritage of India, vol- IV, page 536-39) ।

বৈদিক দেৱতা বৰুণৰ ধাৰণাৰ পৰা স্পষ্ট হয় যে, দেৱতাসকলে বিশ্বজাগতিক আৰু নৈতিক শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সমভাবে দায়িত্বশীল। বৰুণ আকাশৰ উদ্ধোধক আৰু স্বৰ্গীয় ৰশ্মিৰ দেৱতা। তেওঁ যি বিশ্বজাগতিক নিয়ম প্ৰতিষ্ঠা কৰিছে তাক কোনেও লঙ্ঘন কৰিব নোৱাৰে। তেওঁৰ শক্তিৰ বাবেই নদী সমুদ্ৰৰ ফালে ধাবিত হয়, অথচ সমুদ্ৰৰ জলভাণ্ডাৰ মাত্ৰাধিকভাবে বৃদ্ধি নহয়। কিন্তু তেওঁৰ কৰ্তৃত্ব কেৱল ভৌতিক ক্ষেত্ৰতেই সীমাবদ্ধ নহয়, নৈতিক ক্ষেত্ৰতো বিস্তৃত আৰু তেওঁৰ নৈতিক নিয়মাৱলী চিৰন্তন আৰু অলঙ্ঘনীয়। এই ক্ষেত্ৰত নূন্যতম বিচ্যুতিও তেওঁৰ দৃষ্টিৰ অগচৰ হ'ব নোৱাৰে। সৰ্বগ্ৰাহী সতৰ্ক দৃষ্টিৰ কথা বুজাবলৈ গৈ কেতিয়াবা সূৰ্যক তেওঁৰ চক্ষু বুলি কোৱা হৈছে। (Outlines of Indian Philosophy, M. Hiriyanna, page 33-34)।

বৈদিক চিন্তাত এইটো ধাৰণা পোৱা যায় যে, ঈশ্বৰীয় তপস্যাৰ ফলত সৰ্বপ্ৰথম উৎপন্ন তত্ত্ব হ'ল 'ঋত আৰু সত্য' (rta and truth)। 'ঋতং চ সত্যং চ অভীদ্ধ তপসো ধ্যজায়ত' অৰ্থাৎ প্ৰজ্বলিত তপস্যাৰ পৰা ঋত অৰ্থাৎ যজ্ঞ আৰু সত্য জন্ম গ্ৰহণ কৰিছে (ঋকবেদ, ১০/১৯০)। এই শ্লোকৰ তাৎপৰ্য হ'ল যে, বিশ্বজগত আবিৰ্ভাৱৰ পূৰ্বে যিটো বস্তুৰ আৱশ্যক সেইটো হৈছে 'সত্য কথন আৰু আচৰণ নিৰ্ভৰ পাৰস্পৰিক বিশ্বস্ততা'। "ঋতং চ স্বাধ্যায় প্ৰবচনে চ" অৰ্থাৎ শাস্ত্ৰানুযায়ী ঋত বিষয়ক জ্ঞান, বেদ অধ্যয়ন আৰু অধ্যাপনা কৰ্তব্য (তৈত্তৰীয় উপনিষদ, ১/১/১২)। ঋত শব্দৰ অৰ্থ সত্য (truth), ন্যায়পৰায়নতা (righteousness)। উপসনাৰ স্বাৰ্থকতাৰ কাৰণে জীৱনত সত্য আৰু ন্যায় আচৰণ কৰা কৰ্তব্য। "ধৰ্ম ক্ষত্ৰ বা শাসক শ্ৰেনীতকৈও বলশীল। ধৰ্মতকৈ মহত্তৰ একো নাই, কাৰণ এজন দুৰ্বল ধাৰ্মিক ব্যক্তিয়ে কেৱল শাৰীৰিকভাৱে শক্তিমান অন্য ব্যক্তিক

ধ্বংস কৰিব পাৰে। এই ধৰ্ম আৰু সত্য অভিন্ন (বৃহদাৰণ্যক উপনিষদ, ১/৪/১৪)। এই ধৰ্মৰ পূৰ্বে ঋকবেদত ঋত বা নৈতিক শৃংখলাৰ (moral order) ধাৰণা পোৱা যায় (ঋকবেদ, ১/৯০ আৰু ৪/২৩)। 'যি সত্য আৰু প্ৰিয় তাকে কোৱা উচিত' এইটোৱে সনাতন ধৰ্ম। সত্য চিৰকালীন। সমস্ত প্ৰাকৃতিক নিয়ম (ঋত) সত্যৰেই প্ৰকাশ যি নিৰ্ভুল আৰু ব্যতিক্ৰমহীনভাৱে কাৰ্য কৰে। ঋত বা সত্য সামগ্ৰিকভাৱে সমাজৰ কল্যাণ আৰু শৃংখলাৰ সহায়ক।

বেদত নিয়মৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। কাৰণ, ব্ৰাহ্মণবাদ, বৌদ্ধ, জৈন সকলৰ কৰ্মৰ নিয়ম বৈদিক সাহিত্যৰ বিবৃত বিশ্বজাগতিক শৃংখলাৰ নিয়মৰ সৈতে সম্পৰ্কযুক্ত। কৰ্মবাদৰ মতে কৰ্মৰ ফল বিনষ্ট নহয়। যি কৰ্মই কৰা তাৰ ফল ভোগ কৰিবই লাগিব। এই নিয়মৰ ব্যতিক্ৰম নহয়। কৰ্মবাদ বুলি কওঁতে সমস্ত মানুহৰ জীৱন আৰু ভৌতিক জগতৰ নিয়মকে বুজা হয়। ঋকবেদত এই নিয়মকে 'ঋত' বুলি কোৱা হৈছে। ঋতকে মীমাংসা দৰ্শনে 'অপূৰ্ব', ন্যায়-বৈশেষিক সকলে 'অদৃষ্ট' বুলি কৈছে। কঠোপনিষদত কোৱা হৈছে যে--- "ঋতং পিবন্তৌ সুকৃতস্য লোকে" (কঠোপনিষদ, ১/৩/১)। জগতত প্ৰকাশমান পৰমেশ্বৰৰ ক্ৰিয়াই সুকৃত। ইয়াৰ ফল আনন্দক এই স্থলত ঋত বোলা হয়। পৰমেশ্বৰ হৈছে আনন্দৰ ভোক্তা আৰু তেওঁৰ লগত যুক্ত থাকিলে জীৱও সেই আনন্দৰ ভোক্তা হয়। কিন্তু জীৱ যেতিয়া অহং ভাৱলৈ কৰ্ম কৰে তেতিয়া তাৰ ফলস্বৰূপ সুখ-দুখ ভোগ কৰে। কৰ্মফল অৱশ্যম্ভাৱী, সেয়েহে ই সত্য। সেইবাবে ঋত শব্দৰ দ্বাৰা কৰ্ম বা কৰ্মফল বুজোৱা হৈছে।